গড়গাঁও মহাবিদ্যালয়

# GARGAON COLLEGE

NAAC accredited with 'B' Grade








# PRODUCTION ORIENTED THEATRE WORKSHOP

## 30th DECEMBER TO 29th JANUARY

## About the Workshop

Gargaon College, which has completed sixty glorious years of existence, has been working not only for the furtherance of academics but also that of culture, sports etc. As part of such initiatives, the college has taken a step towards the preservation and promotion of the rich cultural heritage of Assam by planning to stage 'Harmohan, Gojoketu Upakhyan, Dhritarashtar Digbijoy Aru Trishira Doityo Nidhon' Bhaona under the aegis of the teachers, non-teaching staff and students of the College on 29th January 2023. By keeping in view the planning to stage 'Harmohan, Gojoketu Upakhyan, Dhritarashtar Digbijoy Aru Trishira Doityo Nidhon' the college organized a one-month production-oriented theatre workshop from 30th December 2022 to 29th January 2023. **The organization of such production-oriented theatre workshops help the students to upgrade their skills in acting.**

## Flyer of the Workshop



গড়গাঁও মহাবিদ্যালয়

GARGAON COLLEGE

NAAC accredited with 'B' Grade

# Photographs
















গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

# Print Media Coverage



প্ৰাচীৰ পত্ৰিকা আদি প্ৰকাশ কৰি উলিয়াইছে। বিদায় বেলাৰ সাক্ষী হৈ ৰয়। এই অনুষ্ঠানত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰে। তদুপৰি, যায়। অনুমোদন জনোৱা

## গড়গাঁও মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী-শিক্ষাৰ্থীৰ উদ্যোগত সত্ৰীয়া সংস্কৃতি প্ৰচাৰ-প্ৰসাৰৰ বিশেষ প্ৰয়াস

**ষ্টাফ ৰিপৰ্টাৰ শিৱসাগৰ ১৫ ফেব্ৰুৱাৰীঃ** অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য উপাদান হিচাপে কেইশতিকা ধৰি শংকৰদেৱৰ অভিনৱ সৃষ্টি নাট-ভাওনা তথা সত্ৰীয়া সংস্কৃতি চৰ্চাই অসমীয়া জাতীয় জীৱনক সমৃদ্ধ কৰি আহিছে। এই চৰ্চাৰ ধাৰাবাহিকতাৰ ৰক্ষাৰ লক্ষ্যৰে শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত উচ্চশিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ে যোৱা ১১ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ ভাওনাৰ চৰ্চা, প্ৰচাৰ, প্ৰসাৰ তথা ৰক্ষণৰ উদ্দেশ্য গ্ৰহণ কৰি এক অভিনৱ পদক্ষেপ হাতত লৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষাৰ্থী, কৰ্মচাৰীবৃন্দৰ উদ্যোগত 'ধৃতৰাষ্ট্ৰৰ দিগ্বিজয়, গজকেতু উপাখ্যান, ত্ৰিশিৰাসুৰ বধ' শীৰ্ষক এখনি ভাওনা পৰিবেশন কৰে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত সকলো প্ৰয়াত ব্যক্তিৰ পুণ্যস্মৃতিত তথা বৰ্তমানৰ আৰু প্ৰাক্তন অধ্যাপক - অধ্যাপিকা, কৰ্মচাৰী, শিক্ষাৰ্থী, সমাজৰ প্ৰতিভাশালী ব্যক্তিৰ সৰ্বাংগীণ মঙ্গল কামনাৰে পৰিৱেশন কৰা ভাওনাভাগিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সব্যসাচী মহন্তকে প্ৰমুখ্য কৰি বহুকেইজন জ্যেষ্ঠ কনিষ্ঠ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শিক্ষাৰ্থীৰ অনবদ্য অভিনয়ত উপস্থিত দৰ্শক-ৰাইজ মোহিত হয়। অসম চৰকাৰ ৰাজহ, দুৰ্যোগ প্ৰশমন বিভাগৰ কেবিনেট মন্ত্ৰী যোগেন মহনকে প্ৰমুখ্য কৰি শিৱসাগৰ জিলাৰ কেইবাখনো মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক; মহাবিদ্যালয়খনৰ ভালেসংখ্যক অৱসৰপ্ৰাপ্ত অধ্যাপক-কৰ্মচাৰী; বৃহত্তৰ গড়গাঁও-শিমলুগুৰি-নাজিৰা অঞ্চলৰ বহুতো কেইবাজনো লোকৰ লগতে স্থানীয় ৰাইজ, সংবাদকৰ্মী, শুভাকাংক্ষীয়ে এই ভাওনাভাগি উপভোগ কৰি আপ্লুত হয়। ভাওনাভাগি পৰিৱেশনৰ প্ৰাক্ মুহূৰ্তত অধ্যাপিকা মনোৰমা ফুকন আৰু দেৱযানী বৰুৱালে গীত গাই এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দুৰ্লভ গোহাঁইই আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পুণ্যধৰ গগৈয়ে। পৰিৱেশিত ভাওনাভাগিৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পৰাগজ্যোতি বৰাই। এই অনুষ্ঠানতে মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক শ্যামলীমা শইকীয়া, দেৱযানী বৰুৱা আৰু অংকুৰ দত্তৰ সম্পাদনাত 'পূৰ্বৰংগ' শীৰ্ষক ভাওনা বিষয়ক এখন ব্যতিক্ৰমী গৱেষণাধৰ্মী গ্ৰন্থ উন্মোচন কৰে গড়গাঁও মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিমান চন্দ্ৰ বৰুৱা আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক তুলসী শেনচোৱাই। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে এই গ্ৰন্থখনত প্ৰাচীন অসমীয়া নাট, সত্ৰীয়া পৰিৱেশ্য কলা, শংকৰদেৱৰ অধ্যয়ন, ধৰ্ম-দৰ্শন-অধ্যাত্ম ইত্যাদি বিষয়ক প্ৰায় দুকুৰি গৱেষণাধৰ্মী প্ৰবন্ধ সন্নিবিষ্ট হৈছে। মহাবিদ্যালয়খনে ভাওনাভাগি আয়োজনৰ সমান্তৰালভাৱে দীপাংকৰ গগৈ, বঙ্কিম চেতিয়া, ৰূপম গগৈৰ তত্ত্বাৱধানত ভাওনা-পৰিৱেশন বিষয়ক এক এসপ্তাহৰ কৰ্মশালাও আয়োজন কৰে। গড়গাঁও মহাবিদ্যালয়ক সুস্থ শৈক্ষিক বাতাৱৰণৰ বাবে প্ৰয়োজনীয় আধ্যাত্মিক চেতনা, সাংস্কৃতিক মানসিকতা গঠনৰ উত্তৰণৰ দিশত আগবঢ়াই নিয়া এই প্ৰয়াসক সফল ৰূপ প্ৰদানত সহায় কৰা সংশ্লিষ্ট আটাইলৈ গড়গাঁও মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ অধ্যক্ষ ড° সব্যসাচী মহন্তই বিশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।

# Digital Media Coverage




CLICK HERE

# Youtube Link




CLICK HERE